# একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

(ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাত অসমীয়া বিভাগৰ অধীনত
পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ বাবে প্ৰদত্ত

গৱেষণা-গ্ৰন্থ


সুনীতা শৰ্মা

**Reg. No. FINAL/01ASS/0013 of 2016-17**

অসমীয়া বিভাগ

বড়োলেণ্ড বিশ্ববিদ্যালয়


২০২০

# EKABINGŚHA SATIKĀR ASOMĪYĀ UPANYĀSOT NĀRĪCHETANA : EK BIŚLESONĀTMOK ADDHAYAN

(Ritā Choudhurȳ, Anurādhā Sharmā Pujārī Āru Manikuntalā Bhaṭṭāchāryar Nirbachita Upānyasor Biśesh Ullikhonere)

**[A THESIS SUBMITTED TO BODOLAND UNIVERSITY FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE SUBJECT OF ASSAMESE IN THE FACULTY OF LANGUAGE]**

*Submitted by :*


**SUNITA SARMAH**

**Reg. No. FINAL/01ASS/0013 of 2016-17**

**Assamese Department**

**Bodoland University**


**2020**

**Dr. Sumi Kalita**
Assistant Professor
Department of Assamese
Bodoland University
Rangahikhata, Deborgaon

Ph. No.: 8723047493
Email : drsumi0000@gmail.com

***Ref........................*** ***Date...........................***

Certified that the thesis entitled **"Ekabingśha Satikār Asomīyā Upanyāsot Nārīchetanā : Ek Bisleśonātmok Addhayan** (Ritā Choudhurȳ, Anurādhā Sharmā Pujārī Āru Manikuntalā Bhaṭṭāchāryar Nirbachita Upānyasor Biśesh Ullikhonere)**"** submitted by **Sunita Sarmah** for Ph. D. Degree in the Faculty of Language, Bodoland University, embodies the result of her original work and personal investigation carried out under my supervision and guidance. She has fulfilled all the formalities and requirement under the Ph. D. regulations of the University.

The Thesis as a whole or part of it has not been submitted any other Degree elsewhere.

Date : **(Sumi Kalita)**

# DECLARATION

I, **Sunita Sarmah**, Research Scholar in the Department of Assamese, Bodoland University, solemnly declare here that no part of this thesis entitled **"Ekabingśha Satikār Asomīyā Upanyāsot Nārīchetanā : Ek Bisleśonātmok Addhayan** (Ritā Choudhurȳ, Anurādhā Sharmā Pujārī Āru Manikuntalā Bhaṭṭāchāryar Nirbachita Upānyasor Biśesh Ullikhonere)**"** has been submitted to this University or any other University or institution for any degree anywhere.

Date : **(Sunita Sarmah)**

# পাতনি

মহাকাব্যৰ যুগৰে পৰা সাহিত্যৰ পাতত পড়ি অহা সীতা, দ্ৰৌপদী, কুন্তী, তাৰা, উৰ্মিলা, মন্দোদৰী আদি মহাকাব্যিক চৰিত্ৰসমূহৰ পঠন-পাঠন আৰু বিশেষকৈ দূৰদৰ্শনৰ মাধ্যমেৰে সিবোৰৰ শ্ৰৱণ-দৰ্শনে শৈশৱৰে পৰা আমাক 'নাৰীচেতনা' বিষয়টিৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। 'অসমীয়া বিষয়'ক প্ৰধান হিচাপে লৈ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত পাঠ গ্ৰহণ কৰোঁতে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আদিত প্ৰাপ্ত নাৰী চৰিত্ৰবিশেষৰ শক্তিশালী ভূমিকাই সেই আগ্ৰহত সাৰ-পানী যোগালে। গৱেষণাৰ সুযোগ পোৱাৰ লগে লগে সেয়েহে তত্ত্বাৱধায়কৰ প্ৰেৰণা আৰু আমাৰ আগ্ৰহক জুমুঠি কৰি এইটো বিষয়কে থাপ মাৰি ধৰিলোঁ।

'চেতনা' শব্দই সচেতন বা জাগ্ৰত অৱস্থাক নিৰ্দেশ কৰে। 'নাৰীচেতনা' শব্দটোৰ সহজ অৰ্থ হৈছে নাৰীৰ নিজৰ আৰু সমাজৰ প্ৰতি চিন্তা আৰু ভাব প্ৰকাশৰ স্বাধীন দৰ্শন।

পাশ্চাত্যত বহু পূৰ্বতেই নাৰীৰ অধিকাৰৰ সপক্ষে জাগৰণৰ সৃষ্টি হৈছিল যদিও ভাৰতবৰ্ষত ঊনবিংশ আৰু বিংশ শতিকাৰ সময়ছোৱাতহে নাৰীকেন্দ্ৰিক জাগৰণৰ সৃষ্টি হয়। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰাটো ভাল হ'ব যে বেদৰ যুগত ঘোষা, অপালা, লোপামুদ্ৰা আদি মহীয়সী নাৰীসকলে প্ৰায় সকলো দিশতে পুৰুষৰ সমানে স্বাধীনতা লাভ কৰিছিল। যিহেতুকে উচ্চস্তৰীয় সামাজিক কাম-কাজত নাৰীক অংশ ল'বলৈ দিয়া হৈছিল, সেয়েহে সেই সময়ত নাৰীৰ নাৰীচেতনাৰ দিশটো অতি প্ৰবল আছিল।

ক্ৰমান্বয়ে আৰ্যতান্ত্ৰিক পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীক ঘৰৰ চাৰিবেৰৰ মাজলৈ লৈ অনা হ'ল, পৰ্দা প্ৰথাৰ দৰে কু-ব্যৱস্থাৰ প্ৰচলন হ'ল। নাৰী নিৰ্যাতনৰ বিভিন্ন ঘটনা মূৰ দাঙি উঠিল। সীতাৰ অগ্নি-পৰীক্ষা আৰু দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ দৰে ঘটনা মহাকাব্যসমূহত ব্যঞ্জিত হ'ল। পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীচেতনাৰ দিশবোৰ লাহে লাহে পুৰুষৰ নিৰ্যাতনত পিষ্ট হৈ পৰিল। বিশ্ব সাহিত্যত যুগে যুগে নাৰীৰ প্ৰতি সৃষ্টি হোৱা নিত্য-নতুন ধাৰণাবোৰৰ প্ৰতিফলন ঘটিবলৈ আৰম্ভ কৰিলে। অসমীয়া সাহিত্যলৈকো তাৰ ধল বাগৰি আহিল।

বিংশ শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকৰপৰা অসমীয়া সাহিত্যত, বিশেষকৈ উপন্যাস সাহিত্যত নাৰীৰ নানান সমস্যা, অধিকাৰ আৰু কল্যাণৰ কথা আলোচিত হ'বলৈ ধৰে যদিও এইখিনি পুৰুষ সাহিত্যিকৰ কলমেৰেহে প্ৰকাশ হৈছিল। ক্ৰমান্বয়ে মহিলা সাহিত্যিকসকলে নাৰীৰ দৃষ্টিৰে নাৰীক তেওঁলোকৰ উপন্যাসত অংকন কৰিবলৈ আৰম্ভ কৰাৰে পৰা নাৰীচেতনাৰ বিভিন্ন দিশবোৰৰ সাৰ্থক ৰূপায়ণ ঘটা বুলি ক'ব পাৰি।

যুদ্ধোত্তৰ কালত আধুনিক জীৱন-প্ৰণালী সৃষ্টিৰ লগে লগেই মানৱ সমাজলৈ নানান পৰিৱৰ্তন আহিল। নাৰীসকল যিহেতু সমাজৰ অভিন্ন অংগ, স্বাভাৱিকতেই এনেবোৰ পৰিৱৰ্তনে তেওঁলোকক প্ৰত্যক্ষভাৱেই স্পৰ্শ কৰিলেহি। নাগৰিক জীৱনৰ অগ্ৰগতিৰ লগে লগে নাৰী স্বাতন্ত্ৰ্য, শিক্ষা, প্ৰতিষ্ঠা, ক্ষমতা, আকাংক্ষা, ক্ষোভ, নিজস্বতা আদি বিষয়সমূহৰো উক্মুকনি আৰম্ভ হ'ল। প্ৰেম, মমতা, কল্যাণকামিতা, সৌন্দৰ্যৰ আৰাধনা, ধৈৰ্য, সহানুভূতি, সংবেদনশীলতা আদি নাৰী ভাবনাৰ বিভিন্ন দিশক ব্যক্তিত্ব নিৰ্মাণ আৰু বিকাশৰ চেতনাই আগুৰি ধৰিলে। সাহিত্যৰ পাতত সেইবোৰৰ বৰ্ণনা লিপিবদ্ধ হ'ল আৰু নাৰীচেতনাক কেন্দ্ৰ কৰিও বিবিধ গল্প, কবিতা, উপন্যাস আদি ৰচিত হ'বলৈ ধৰিলে। নাৰীচেতনাৰ সাৱলীল পৰীক্ষা-নিৰীক্ষাৰে পুষ্ট এনে কেইখনমান উপন্যাসৰ মাজেৰে চিত্ৰায়িত নাৰীমনৰ বিভিন্ন দিশ আৰু ব্যক্তিগত তথা সামাজিক জীৱনৰ প্ৰতি তেওঁলোকৰ সচেতন মনৰ কৰ্ষণেৰে জীপ পোৱা চেতনা আৰু সেই চেতনাই সমসাময়িক সমাজ জীৱনলৈ কঢ়িয়াই আনিব পৰা বিভিন্ন দিশ সম্পৰ্কীয় অধ্যয়নকে আমাৰ গৱেষণাৰ সাৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছে।

এইখিনিতে এটা কথা উনুকিয়াই থোৱাটো উচিত হ'ব যে এই গৱেষণা সম্পূৰ্ণ বিদ্যায়তনিক আৰু নিৰ্দিষ্ট সময়সাপেক্ষ। সেয়েহে সময়ৰ পৰিসীমাৰ ভিতৰত থাকি গৱেষণাকাৰ্য শেষ কৰিবলগীয়া হোৱা হেতুকে ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ আটাইবোৰ উপন্যাসক গৱেষণাৰ আওতালৈ অনা হোৱা নাই। তত্ত্বাৱধায়কৰ লগত হোৱা আলোচনা আৰু নিজস্ব অধ্যয়নৰ ওপৰত ভিত্তি কৰি যিকেইখন উপন্যাসত 'নাৰীচেতনা'ৰ সমলসমূহে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে, কেৱল সেইকেইখনকহে সাঙুৰি লোৱা হৈছে। গৱেষণাৰ নিৰ্দিষ্ট গণ্ডীৰ মাজত থাকি আমাৰ বিষয় সম্পৰ্কে প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়াবলৈ অহোপুৰুষাৰ্থ কৰিছোঁ যদিও এই কথাও বিনম্ৰতাৰে

স্বীকাৰ কৰাটো সমীচীন হ'ব যে "একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)" সম্পৰ্কে আমাৰ এই অধ্যয়নেই শেষ নহয়। আশা কৰোঁ আমাৰ এই অধ্যয়নে ভৱিষ্যতৰ আগ্ৰহী গৱেষক আৰু অনুসন্ধিৎসু ব্যক্তিসকলক অধ্যয়নৰ বাবে নতুন চিন্তাৰ উন্মেষ ঘটাব। গৱেষণা-গ্ৰন্থখনি যুগুত কৰোঁতে অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰ বিজ্ঞজনে আঙুলিয়াই দিলে কৃতাৰ্থ হ'ম।

**(সুনীতা শৰ্মা)**

# কৃতজ্ঞতা

পোনপ্ৰথমে আমি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক শাখাই অসমীয়া বিভাগৰ অধীনত **“একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)”** শীৰ্যক বিষয়ত পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ হেতু গৱেষণা কৰিবলৈ দিয়া অনুমতিৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু অসমীয়া বিভাগৰ প্ৰতিগৰাকী শৈক্ষিক সদস্যলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গৱেষণাকাৰ্যৰ প্ৰতিটো পদক্ষেপতে আমাক সকলোপ্ৰকাৰৰ নিৰ্দেশনা তথা উৎসাহ আৰু প্ৰেৰণাৰে সহায়-সহযোগিতা আগবঢ়োৱা গৱেষণা গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান আৰু সহকাৰী অধ্যাপক ড° চুমী কলিতা বাইদেউলৈ একান্ত শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণাকাৰ্যত সন্মুখীন হোৱা প্ৰতিটো সমস্যাৰ সমাধানসূত্ৰ নিৰ্ণয় কৰি দিয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা প্ৰাক্তন ভাষাগুৰু আৰু বৰ্তমান বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়কৰ দায়িত্বত থকা ড° প্ৰদীপ কুমাৰ পাত্ৰ ছাৰলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী ড° বিভূতিলোচন শৰ্মা ছাৰ প্ৰমুখ্যে ড° ডেইজী ৰাণী ডেকা, দীপামণি বৈশ্য আৰু ড° ৰাতুল ডেকা ছাৰে আমাৰ গৱেষণাকাৰ্যৰ নানা দিশত দিহা-পৰামৰ্শৰে উৎসাহিত কৰি সহায়-সহযোগিতা আগবঢ়াইছে। এই ছেগতে আটাইকেইগৰাকীকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ কৰ্মস্থান কোক্ৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক তেওঁলোকে আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু প্ৰেৰণাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

আজিলৈকে জীৱনৰ প্ৰতিটো মুহূৰ্তকে আৱৰি ৰখা, অনুপ্ৰাণিত কৰা আমাৰ পিতৃ শ্ৰীযুত কিৰণ চন্দ্ৰ শৰ্মা আৰু মাতৃ শ্ৰীযুতা বিদ্যাৱতী শৰ্মাৰ উৎসাহ আৰু প্ৰেৰণা আমাৰ বাবে সাহস স্বৰূপ। তেওঁলোকক আমাৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

আমাৰ প্ৰতিটো ভাৱনাৰ সহযোগী হিচাপে সাহস আৰু প্ৰেৰণাৰে গৱেষণা-কৰ্মত উৎসাহ যোগোৱা মাইনা, মামু, ময়ূৰ, দূৰৰি, শ্বৰনম, তৃষ্ণা, হিতা, প্ৰত্যুষ, যুতি আৰু পপীলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। জয়ন্ত আৰু নিবিড়ৰ সহযোগিতা অবিহনে আমাৰ গৱেষণা সফল নহ'লহেঁতেন। তেওঁলোক দুয়োজনকো আমাৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ছেগতে ভাতৃপ্ৰতিম দেৱব্ৰত আৰু গোবিন্দকো কৃতজ্ঞতা জনালোঁ।

গৱেষণা-গ্ৰন্থখন যুগুত কৰিবলৈ বিশেষভাৱে সহায় লোৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম কেন্দ্ৰীয় পুথিভঁৰাল আৰু অসমীয়া বিভাগৰ বিভাগীয় পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল আৰু কলকাতাস্থিত নেচনেল লাইব্ৰেৰীৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গৱেষণা-গ্ৰন্থখনি মুদ্ৰণ আৰু প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা হাচান আলী ডাঙৰীয়াকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

শেষত প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় প্ৰকাৰে আমাৰ গৱেষণা-কৰ্মৰ কালছোৱাত আমাক সহায় কৰা আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

**(সুনীতা শৰ্মা)**

# সূচীপত্ৰ


| | | |
|---|---|---|
| | **পাতনি** | i-iii |
| | **কৃতজ্ঞতা স্বীকাৰ** | iv-v |
| | **অৱতৰণিকা** | ১-৮ |
| **প্ৰথম অধ্যায় ঃ** | আধুনিক অসমীয়া উপন্যাসৰ ধাৰাত মহিলা ঔপন্যাসিক আৰু তেওঁলোকৰ উপন্যাসত প্ৰতিফলিত নাৰীচেতনা | ৯-২৪ |
| **দ্বিতীয় অধ্যায় ঃ** | ৰীতা চৌধুৰীৰ উপন্যাসত নাৰীচেতনা | ২৫-৭৯ |
| **তৃতীয় অধ্যায় ঃ** | অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত নাৰীচেতনা | ৮০-১২৮ |
| **চতুৰ্থ অধ্যায় ঃ** | মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত নাৰীচেতনা | ১২৯-১৮৫ |
| **পঞ্চম অধ্যায় ঃ** | ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত নাৰীচেতনাৰ তুলনামূলক অধ্যয়ন | ১৮৬-২০২ |
| | **উপসংহাৰ** | ২০৩-২১৬ |
| | **গ্ৰন্থপঞ্জী** | ২১৬-২২৪ |